# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2023
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগমে **সহকাৰ সে সমৃদ্ধি** দৃষ্টিভংগী বাস্তৱত ৰূপায়িত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি চৰকাৰী ভ্ৰমণসূচীৰে মৰক্কোলৈ ৰাওনা হ'ব।

৩। মহিলা আৰু শিশু উন্নয়নমন্ত্ৰী স্মৃতি ইৰাণীয়ে আজি নতুন দিল্লীত শিশু পুষ্টিহীনতা ব্যৱস্থাপনাৰ বাবে নিৰ্দেশাৱলী মুকলি কৰিব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, জাৰ্মানী, ব্ৰিটেইন আৰু ইটালীৰ নেতাসকলে উগ্ৰপন্থী গোট হামাছে ইজৰাইলত চলোৱা অতৰ্কিত আক্ৰমণক গৰিহণা দি এটা যৌথ বিবৃতি প্ৰকাশ কৰিছে।

*আৰু*

৫। নিউজিলেণ্ডে যোৱানিশা আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নেডাৰলেণ্ডছক ৯৯ ৰানত পৰাস্ত কৰে।

ooooo

সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম NCDCয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **সহকাৰ সে সমৃদ্ধি** দৃষ্টিভংগীক বাস্তৱত ৰূপায়িত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নতুন দিল্লীত কালি NCDCৰ ৮৯ সংখ্যক সাধাৰণ পৰিষদৰ বৈঠকক সম্বোধন কৰি তেওঁ কয় যে, দেশত সমবায় আন্দোলন শক্তিশালী কৰি তোলাৰ উদ্দেশ্য মন্ত্ৰালয়ে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপসমূহৰ জৰিয়তে প্ৰাথমিক কৃষি ঋণ সমিতিসমূহ শক্তিশালী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয় যে, দেশৰ  মূলধন বিহীন ৬০ কোটি জনতাৰ অৰ্থনৈতিক উন্নয়নৰ বাবে সমবায় হৈছে একমাত্ৰ মাধ্যম। ৰাজ্য চৰকাৰসমূহৰ সহযোগত এটা ৰাষ্ট্ৰীয় সমবায় তথ্য ভাণ্ডাৰ প্ৰস্তুত কৰি তোলা হৈছে বুলি সদৰী কৰি শ্ৰীশ্বাহে কয় যে, এই তথ্য ভাণ্ডাৰত ৮ লাখতকৈও অধিক সমবায় সমিতিৰ ব্যাপক, নিৰ্ভৰযোগ্য আৰু শেহতীয়া তথ্য সমৃদ্ধ হৈ আছে। NCDCয়ে ২০২২-২৩ বৰ্ষত গ্ৰামাঞ্চলকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত ৪১ হাজাৰ কোটিতকৈ অধিক টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, NCDCয়ে ২০১৩-১৪ বৰ্ষৰ প্ৰায় ৫ হাজাৰ কোটি টকাৰ ১০ গুণ অধিক বিত্তীয় সাহায্য চলিত বিত্তীয় বৰ্ষত প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা উচিত।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে টাঞ্জানিয়াৰ ৰাষ্ট্ৰপতি ডঃ ছামিয়া চুলুহু হাছানক কালি আবেলি ৰাষ্ট্ৰপতি ভৱনত আদৰণি জনায়। শ্ৰীমতী মুৰ্মুৱে ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে প্ৰীতি ভোজৰো আয়োজন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁক আদৰণি জনাই দুয়োখন দেশৰ মাজৰ কেইবা শতিকা জোৰা পুৰণি সম্পৰ্কক সোঁৱৰে। এই সম্পৰ্ক ঔপনিৱেশিকতাবাদৰ বিৰুদ্ধে উমৈহতীয়া সংগ্ৰাম তথা জনসাধাৰণৰ মাজৰ সাংস্কৃতিক আৰু বাণিজ্যিক সম্পৰ্কৰ ঐশ্বৰ্যশালী ইতিহাসৰ ওপৰত প্ৰতিস্থিত বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে টাঞ্জানিয়াত ২০০ বছৰতকৈও অধিক কাল ধৰি ভাৰতীয় লোকৰ উপস্থিতিয়ে দেশখনৰ উষ্ম আতিথ্য আৰু সৰ্বাত্মক সংস্কৃতিক প্ৰতিফলিত কৰে। ৰাষ্ট্ৰপতি হাছানৰ নেতৃত্বত শেহতীয়া কেইবছৰ মানত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক উল্লেখনীয়ভাৱে উন্নত হৈছে বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। টাঞ্জানিয়াৰ অৰ্থনীতিৰ উল্লেখনীয় ক্ষেত্ৰসমূহত বিনিয়োগ, দ্বিপাক্ষিক বাণিজ্য, উন্নয়নমূলক বন্ধুত্ব, প্ৰতিৰক্ষা আৰু সমুদ্ৰিক সহযোগিতাকে ধৰি সকলো ক্ষেত্ৰতে সৰ্বাত্মক প্ৰগতি পৰিলক্ষিত হৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে টাঞ্জানিয়াক ভাৰতৰ আফ্ৰিকাৰ সৰ্ববৃহৎ উন্নয়নমূলক মিত্ৰ দেশ হিচাপে অভিহিত কৰে। শেহতীয়াকৈ মুকলি হোৱা ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান মাদ্ৰাছৰ জাঞ্জিবাৰ প্ৰাংগন সমাগত বৰ্ষসমূহত  আফ্ৰিকাৰ প্ৰযুক্তি শিক্ষাৰ কেন্দ্ৰ হৈ পৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, দুয়োখন দেশে আন্তঃৰাষ্ট্ৰীয় মঞ্চত পৰস্পৰৰ প্ৰতি সমৰ্থন আগবঢ়াই থকাৰ লগতে বহুপাক্ষিক সংস্থাসমূহৰ সংস্কাৰকে ধৰি উন্নয়নশীল বিশ্বৰ অগ্ৰাধিকাৰৰ বিষয়সমূহৰ হকে মাত মাতি আহিছে। ভাৰতৰ জি-২০ অধ্যক্ষতাৰ কালছোৱাত আফ্ৰিকীয় সংঘই জি-২০ গোটৰ স্থায়ী সদস্য হিচাপে স্বীকৃতি পোৱা সন্দৰ্ভত শ্ৰীমতী মুৰ্মুৱে সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় বিত্ত আৰু কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি চৰকাৰী ভ্ৰমণসূচীৰে মৰক্কোলৈ ৰাওনা হ'ব। ভ্ৰমণ কালত শ্ৰীমতী সীতাৰমনে বিশ্ব বেংক গোটৰ বাৰ্ষিক বৈঠকত ভাগ লোৱাৰ লগতে জি-২০ আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ বৈঠকত অংশগ্ৰহণ কৰিব। এই বাৰ্ষিক বৈঠকত বিশ্বৰ বিভিন্ন দেশৰ বিত্তমন্ত্ৰী আৰু কেন্দ্ৰীয় বেংকৰ বিষয়াই অংশগ্ৰহণ কৰিব। ভ্ৰমণ কালত শ্ৰীমতী সীতাৰমন আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ শক্তিকান্ত দাসে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বিত্তমন্ত্ৰী আৰু কেন্দ্ৰীয় বেংকৰ গভৰ্ণৰসকলৰ চতুৰ্থখন বৈঠকত সহ অধ্যক্ষতা কৰিব।

বিত্তমন্ত্ৰীগৰাকীয়ে মাৰাকেশত কাইলৈৰ পৰা ১৫ অক্টোবৰৰ ভিতৰত আন ভালেসংখ্যক বৈঠকৰ লগতে ইন্দোনেছিয়া, মৰক্কো, ব্ৰাজিল, ছুইজাৰলেণ্ড আৰু ফ্ৰান্সৰ বিত্তমন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংগালুৰু মেট্ৰ'ৰ পাৰ্পলি লাইনৰ দুটা প্ৰধান অংশত মেট্ৰ' ৰে'ল সেৱা আৰম্ভ হোৱাক লৈ সন্তোষ প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে সামাজিক মাধ্যমত লিখা এটা পোষ্টৰ উত্তৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ই বেংগালুৰুত বসবাস কৰা লোকসকলৰ জীৱন ধাৰণ সহজ কৰি তোলাৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য পদক্ষেপ হিচাপে বিবেচিত হৈছে। কালি আৰম্ভ কৰা অংশকে ধৰি বেংগালুৰুৰ মেট্ৰ' ৰে'ল নেটৱৰ্কৰ দৈৰ্ঘ্য সম্প্ৰতি ৭৩ কিলোমিটাৰৰো অধিক হৈছেগৈ।

০০০০০

মহিলা আৰু শিশু উন্নয়নমন্ত্ৰী স্মৃতি ইৰাণীয়ে আজি নতুন দিল্লীত শিশু পুষ্টিহীনতা ব্যৱস্থাপনাৰ বাবে নির্দেশাৱলী মুকলি কৰিব। ইয়াৰ জৰিয়তে অংগনবাড়ী পর্যায়ত পুষ্টিহীন শিশুৰ চিনাক্তকৰণ তথা পৰৱৰ্তী ব্যৱস্থাপনাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব। দেশজুৰি মহিলা আৰু শিশু উন্নয়ন তথা স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ooooo

কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কৈছে যে ২০১৪ চনৰে পৰা নগৰীয়া আঁচনিসমূহত বিনিয়োগৰ পৰিমাণ চকুত লগা ধৰণে বৃদ্ধি পাইছে। নতুন দিল্লীত বিশ্ব আৱাস দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, চহৰ আৰু নগৰসমূহৰ ৰূপান্তৰকৰণৰ বাবে ২০১৪ চনৰে পৰা ১৮ লাখ কোটিতকৈও অধিক ধন বিনিয়োগ কৰা হৈছে। তেওঁ কয় যে, ২০১৪ চনত নগৰীয়া আৱৰ্জনা সংসাধনৰ পৰিমাণ ১৭ শতাংশ আছিল আৰু বৰ্তমান ই ৭৬ শতাংশলৈ বৃদ্ধি পাইছে। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত নগৰসমূহক বিত্তীয় উৎস বৃদ্ধিৰ বাবে উদ্ভাৱনীমূলক প্ৰক্ৰিয়া ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, জাৰ্মানী, ব্ৰিটেইন আৰু ইটালীৰ নেতাসকলে উগ্ৰপন্থী গোট হামাছে ইজৰাইলত চলোৱা অতৰ্কিত আক্ৰমণক গৰিহণা দি এটা যৌথ বিবৃতি প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেন, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ,  জাৰ্মানীৰ চেঞ্চলাৰ স্ক'লজ আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি সোনাকে দিয়া এটা যৌথ বিবৃতিত হামাছৰ সন্ত্ৰাসবাদীমূলক কাৰ্যকলাপক কোনোপধ্যে ন্যাৰ্যতা প্ৰদান কৰিব পৰা নায়ায় বুলি প্ৰকাশ কৰিছে। বিবৃতিটোত কোৱা হৈছে যে, হামাছ উগ্ৰপন্থীয়ে নিজৰ বাসগৃহত  থকা ভালেমান পৰিয়ালৰ উপৰি সংগীত মহোৎসৱ উপভোগ কৰি থকা ২০০তকৈ অধিক যুৱক-যুৱতীক হত্যা কৰাৰ লগতে বয়োজ্যেষ্ঠ মহিলা, শিশু তথা সম্পূৰ্ণ পৰিয়ালক বন্দী কৰি ৰখা কাৰ্যক সমগ্ৰ বিশ্বই সন্ত্ৰাসৰ দৃষ্টিৰে চাইছে। এই দেশসমূহে ইজৰাইলৰ আত্মৰক্ষা তথা এনে নিষ্ঠুৰতাৰ বিৰোধিতা কৰাৰ প্ৰচেষ্টাৰ প্ৰতি সমৰ্থন আগবঢ়াব বুলি বিবৃতিটোত প্ৰকাশ কৰা হয়। নেতাসকলে কৈছে যে, তেওঁলোকে পেলেষ্টাইনৰ জনসাধাৰণৰ ন্যায় সংগত আকাংক্ষাৰ কথা অনুভৱ কৰিছে, কিন্তু সন্ত্ৰাস আৰু ৰক্তপাতৰ বাহিৰে পেলেষ্টাইনৰ জনসাধাৰণক আন একো দিব নোৱাৰা হামাছে এই আকাংক্ষাসমূহৰ প্ৰতিনিধিত্ব নকৰে।

ooooo

দেশৰ নিৰ্বাচন আয়োগে কালি পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰে। সেই অনুসৰি ছত্তিশগড় বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন ৭ নৱেম্বৰত আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন ১৭ নৱেম্বৰত অনুষ্ঠিত হ'ব। একেদৰে মিজোৰামত ৭ নৱেম্বৰত,  মধ্যপ্ৰদেশত ১৭ নৱেম্বৰত, ৰাজস্থানত ২৩ নৱেম্বৰত আৰু তেলেংগানাত ৩০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৩ ডিচেম্বৰত আটাইকেইখন ৰাজ্যৰ নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

নতুন দিল্লীত কালি সাংবাদিকৰ আগত মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে এই সূচী ঘোষণা কৰে। এই ঘোষণাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া ৰাজ্যকেইখনত নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হৈছে। আটাইকেইখন ৰাজ্যত মুঠ ৬৭৯টা বিধানসভা সমষ্টি আছে  বুলি মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে।

ooooo

ভাৰতীয় জনতা পাৰ্টীয়ে কালি মধ্যপ্ৰদেশৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৫৭ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত তৃতীয়খন তালিকা প্ৰকাশ কৰে। এই পৰ্যন্ত দলটোৱে ৰাজ্যখনৰ ২৩০টা সমষ্টিৰ ভিতৰত ১৩৫ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

দলটোৱে প্ৰকাশ কৰা তালিকা অনুসৰি মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে বুধনী আৰু ৰাজ্যখনৰ গৃহমন্ত্ৰী নৰোত্তম মিশ্ৰই দাতিয়া বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব।

দলটোৱে জ্যেষ্ঠ মন্ত্ৰী গোপাল ভাৰ্গৱক ৰেহলি, বিশ্বাস সাৰংগক নৰেলা আৰু তুলসী ৰাম সিলাৱটক চানৰেৰ আসনৰ প্ৰাৰ্থী ৰূপে প্ৰক্ষেপ কৰিছে।

ooooo

নিউজিলেণ্ডে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ এখন খেলত নেডাৰলেণ্ডছক  ৯৯ ৰানত পৰাস্ত কৰে।

খেলখনত প্ৰথমে বেট ধৰি নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই ৩২২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে ৪৬ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২২৩ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি ধৰমশালাত দিনৰ চাৰে ১০ বজাত হ'বলগীয়া এখন খেলত ইংলেণ্ড বাংলাদেশৰ আৰু হায়দৰাবাদত দিনৰ ২ বজাত হ'বলগীয়া এখন খেলত শ্ৰীলংকা পাকিস্তানৰ মুখামুখি হ'ব।

ইপিনে, ভাৰত কাইলৈ প্ৰতিযোগিতাৰ নিজৰ দ্বিতীয়খন খেলত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া খেলখনত ভাগ লোৱাৰ বাবে ভাৰতীয় দলটো কালি দিল্লীত উপস্থিত হয়।

ভাৰতে চেন্নাইত দেওবাৰে অষ্ট্ৰেলিয়াক ৬ উইকেটত পৰাস্ত কৰিছিল।

ooooo

**সমাপ্ত**